জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

২২৮ সংখ্যা, ১৩ চ'ত, বৃহস্পতিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 60 NO. 228। DIBRUGARH, THURSDAY, MARCH 27, 2025 । পৃষ্ঠা ১৬ (Pages

### ভাৰতবৰ্ষৰ সভ্যতা অতি পুৰণি আৰু গুণী-জ্ঞানী সভ্যতা ঃ বিধায়ক চক্ৰধৰ গগৈ

## কানৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় যুৱ সংসদ ২০২৫ অনুষ্ঠিত

জিলাৰ বাতৰি দিওঁতা

ডিব্ৰুগড়, ২৬ মাৰ্চ ঃ 'অতি পুৰণি আৰু গুণী-জ্ঞানী সভ্যতাৰে সমৃদ্ধ ভাৰতবৰ্ষ আজিৰপৰা ৬০০০ বছৰৰ আগেয়েই বিশ্ব গুৰুৰ আসনত আছিল।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ মন্ত্ৰণালয়ৰ উদ্যোগত, গুৱাহাটীস্থ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আঞ্চলিক কাৰ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষৰ সহযোগত ২০ আৰু ২১ মাৰ্চত দুদিনীয়াকৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৫ৰ আজিৰ প্ৰথম দিনাৰ কাৰ্যসূচী উদ্বোধন কৰি খোৱাং বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে সেইদৰে কয়। তেওঁ কয়— যি সময়ত আমাৰ ভাৰতবৰ্ষত গীতা, ভাগৱত, পুৰাণ, উপনিষদৰ দৰে বিশ্ববন্দিত গ্ৰন্থ আৰু গোটেই বিশ্বত জ্ঞানৰ জ্যোতি বিলাব পৰা গ্ৰন্থ আমাৰ পূৰ্ব পুৰুষ ঋষি, মুনিসকলে গছৰ তলত, গছৰ খোৰোঙত পৰ্বতৰ গুহাত বহি যেতিয়া এই গ্ৰন্থসমূহ লিখিছিল সেই সময়তেই ভাৰতবৰ্ষ বিশ্ব গুৰুৰ আসনত আছিল বুলি উল্লেখ কৰি কয়— সেই সময়ত বিশ্বক দিক দৰ্শন দিবপৰা এনে গ্ৰন্থ কোনো দেশতে নাছিল। কিন্তু আজি আমি আকৌ সেই বিশ্ব গুৰুৰ আসন লাভ কৰিবৰ বাবে প্ৰয়াস চলাব লগা হৈছে।



বিধায়কগৰাকীয়ে কয়— আমি বিশ্ব গুৰু হ'বলৈ হ'লে আমাৰ দক্ষতা বিকাশৰ লগতে শৈক্ষিক, বৌদ্ধিক, মানসিক বিকাশ কৰিব লাগিব। আমি আমাৰ পাঠ্যক্ৰমৰ শিক্ষাতে আৱদ্ধ নাথাকি জীৱনটোক সকলো দিশৰ পৰা সফল কৰি তুলিব পৰা দক্ষতা আহৰণ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ কয়— যুৱ অৱস্থাটোৱেই শিক্ষা তথা দক্ষতা আহৰণ কৰি জীৱনটো সফল কৰি তোলাৰ অন্যতম সোণালী সময়। এই সোণালী সময়খিনি অনাৱশ্যকীয় কামত ব্যৱহাৰ নকৰি জীৱনটোক সফল কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিব লাগিব। আমি যি বিভাগৰ ছাত্ৰ-ছাত্ৰীয়েই নহওক লাগিলে আমি ৰাজনৈতিক ক্ষেত্ৰখনৰ জ্ঞান অৰ্জন কৰিবই লাগিব।

মহাবিদ্যালয়ৰ অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। অধ্যক্ষ ডঃ শইকীয়াই কয়— এখন দেশ শক্তিশালী কৰিবলৈ হ'লে সেয়া যুৱ প্ৰজন্মই কৰিব পাৰে আৰু দেশ এখন ধ্বংস কৰিবলৈ হ'লে যুৱ প্ৰজন্মক ধ্বংস কৰি দিলেই হ'ল। ডিব্ৰুগড়, চৰাইদেউ আৰু তিনিচুকীয়া জিলাৰ ছাত্ৰ-ছাত্ৰীসকলক সামৰি জিলা পৰ্যায়ত অনুষ্ঠিত হোৱা এই যুৱ সংসদত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষৰ সমন্বয়ক ডঃ ডেভিদ কাৰ্ডং। তেওঁ বিকশিত ভাৰতৰ উদ্দেশ্য আৰু যুৱ সমাজৰ ভূমিকা সন্দৰ্ভত কয় যে যুৱ সমাজৰ সক্ৰিয় অংশগ্ৰহণ আৰু দেশৰ ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি ধাউতি সৃষ্টিয়েহে ভাৰতবৰ্ষক বাস্তৱ ৰূপত বিকশিত আৰু সমৃদ্ধিশালী ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব পাৰিব। 'এক ৰাষ্ট্ৰ এক নিৰ্বাচন' শীৰ্ষক বিষয়ক সদনৰ মূল বিষয় হিচাপে লৈ অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানটি উদ্বোধন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ প্ৰিয়দেৱ গোস্বামীয়ে। বক্তৃতানুষ্ঠানটিত বিচাৰক হিচাপে উপস্থিত থাকে ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক তথা ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষৰ প্ৰকল্প বিষয়া ডঃ অমৰ উপাধ্যায়, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ডঃ দৰ্পনজিৎ কোঁৱৰ, ন্যায়িক অধ্যয়ন কেন্দ্ৰৰ সহকাৰী অধ্যাপক ডঃ হেমন্ত কুমাৰ হাজৰিকা। প্ৰথমদিনাৰ অনুষ্ঠানটিত ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰপৰা প্ৰাথমিক পৰ্যায়ত নিৰ্বাচিত প্ৰায় ৭৫গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰীক্ষাসমূহৰ সমন্বয়ক ডঃ মৃদুল শৰ্মা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ দীপংকজ গগৈ, অধ্যাপক অভিজিত বৰুৱাকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক তথা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰকল্প বিষয়া শিৱনাথ চুতীয়াই।